জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১৪৯/২০২১

<u>কেন্দ্ৰীয় মন্ত্ৰী স্মৃতি জুবিন ইৰাণীক সাক্ষাৎ কৰিলে মুখ্যমন্ত্ৰীয়ে</u>

# মহিলা আৰু শিশু উন্নয়ন তথা বস্ত্ৰ খণ্ডৰ উন্নয়নৰ বিভিন্ন দিশ সামৰি আলোচনা

**দিছপুৰ, ০২ জুলাই ঃ** নতুন দিল্লীত থকা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কেন্দ্ৰীয় মহিলা আৰু শিশু উন্নয়ন মন্ত্ৰী স্মৃতি জুবিন ইৰাণীক সাক্ষাৎ কৰে। সাক্ষাতকালত মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ সৈতে মহিলা আৰু শিশু বিকাশ সম্পৰ্কিত কেইবাটাও বিষয় আলোচনা কৰে।

বৈঠকত মুখ্যমন্ত্ৰী ড° শৰ্মাই মহিলা আৰু শিশু উন্নয়নৰ লগতে হস্ততাঁত খণ্ডৰ সৈতে সম্পৰ্কিত কেতবোৰ গুৰুত্বপূৰ্ণ বিষয় আলোচনা কৰে। নিৰ্ভয়া পুঁজিৰ সন্দৰ্ভত আলোচনা কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰাজ্য চৰকাৰে ৰাজ্যখনৰ মহিলা লোকসকলক সুৰক্ষিত কৰাৰ বাবে জৰুৰীকালীন সঁহাৰি পদ্ধতিৰ লগতে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই মানৱ সৰবৰাহ ৰোধৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়েও কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক অৱগত কৰে।

মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় মন্ত্ৰী ইৰাণীক পৰিপূৰক পুষ্টি কাৰ্যসূচীৰ অধীনত তেওঁৰ চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়েও অৱগত কৰে। উল্লেখ্য যে এই কাৰ্যসূচীৰ অধীনত ৬ মাহৰ পৰা ৬ বছৰৰ শিশু, গৰ্ভৱতী আৰু দুগ্ধপান কৰাই থকা মাতৃসকলক সংহত শিশু উন্নয়ন আঁচনিৰ অধীনত পুষ্টিকৰ খাদ্য প্ৰদান কৰা হয়। মুখ্যমন্ত্ৰী ড° শৰ্মাই কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক বছৰি ৩০০ দিন সামৰি হিতাধিকাৰীৰ সংখ্যা অনুসৰি ৰাজ্যখনলৈ পৰিপূৰক পুষ্টি কাৰ্যসূচীৰ অধীনত কেন্দ্ৰীয় পুঁজিৰ অংশ সময়মতে মুকলি কৰিবলৈ আহ্বান জনায়। বৈঠকত কেন্দ্ৰীয় মন্ত্ৰী ইৰাণীয়ে ৰাজ্য চৰকাৰক অংগনৱাড়ী কৰ্মী আৰু অংগনৱাড়ী সহায়কসকলৰ বিস্তৃত বিৱৰণ দাখিল কৰিবলৈ অনুৰোধ জনায় যাতে চৰকাৰে তেওঁলোকক ভাৰত চৰকাৰৰ বীমা আঁচনিৰ অধীনত সামৰি ল'ব পৰা যায়।

ৰাজ্যখনৰ বস্ত্ৰ শিল্প খণ্ডৰ উন্নয়নৰ বাবে মুখ্যমন্ত্ৰী ড° শৰ্মাই জনোৱা আহ্বানৰ প্ৰতি ইতিবাচক সঁহাৰি জনাই কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে অসমত বস্ত্ৰ খণ্ডৰ আঁচনিসমূহৰ সম্পূৰ্ণ ৰূপায়ণৰ দিশত বিশেষ গুৰুত্ব প্ৰদান কৰা হ'ব।

**সুঃদঃ / বঃভাঃ**
**০২/০৭/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in